ISSN : 2278-3466

# THE QUEST

Vol. XIV . December, 2021

A Bilingual Peer Reviewed Research Journal of Jorhat College Teachers' Unit

Editors

Dr. Diganta Kumar Phukan

Mahfuja Begum

**THE QUEST** : A Bilingual (Assamese & English) Peer Reviewed Research Journal of Jorhat College Teachers' Unit, published annually by Jorhat College Teachers' Unit.

ISSN : 2278-3466
Price: Rs. 400/-

**Editorial Board**

**Advisors :**

1. **Prof. Jyoti Prasad Saikia,**
   Department of Sociology,
   Dibrugarh University, Dibrugarh
2. **Prof. Ratnottama Das Bikram,**
   Department of Modern Indian Language and Literary Studies, Delhi University
3. **Dr. Nirmali Gogoi,**
   Associate Professor,
   Department of Environmental Science, Tezpur University
4. **Dr. Latika Hazarika,**
   Associate Professor, Department of Philosophy, Madhabdev University, Narayanpur, Lakhimpur

**Editors :**

Dr. Diganta Kumar Phukan
Ms. Mahfuja Begum

**Members :**

Mrs. Minoti Gogoi, Mrs. Rupali Borah,
Mrs. Anima Neog, Mr. Utpal Dutta,
Mrs. Barnali Sarma Kotoky, Mrs. Monisha Duara,
Mr. Pankajpani Saikia, Mrs. Jutimali Saikia,
Mr. Kushal Kr. Das, Dr. Soumitra Puzari

**Address** : M. G Road, Na-ali, Jorhat, Assam, PIN-785001
**E-mail** : tujorhatcollege@gmail.com
**Website** : www.jorhatcollege.org
**Printed at** : ISKRA, K. B. Road, Jorhat

study from Assam
✍ Dr Jagat Jyoti Barua • 112

- Factors Affecting Rural-Urban Migration: A Comprehensive Literature Review
✍ Pummy Sinha • 124

- Connecting Nature with Spirituality: An Assessment of Selected Nature Poems of Ruskin Bond
✍ Subhrajyoti Chanda • 136

- Food Security Status of Women in Assam during the COVID-19 Pandemic: The State Response
✍ Sujata Hati Baruah • 144

- Impact of Income Disparities on Healthcare Accessibility in Rural Assam: An Analysis of Major Health Challenges
✍ Chiranjiv Chowlek • 162

- Media and Communication practices in Assam before Modern Print: An Overview
✍ Ankan Rajkumar • 176

- The Concept of the Soul in some selected Dialogues of Plato
✍ Dr Ranjit Bhattacharyya • 203

- চৈয়দ আব্দুল মালিক সম্পাদিত 'পাগ্ৰাম'ৰ সম্পাদকীয় : এটি অধ্যয়ন
✍ তৰুণ লহিং • 223

- মধ্য অসমৰ তিৱাসকলৰ 'লালিলাং গীত' আৰু 'গদালীপৰীয়া গীত'ৰ ঐতিহ্য আৰু বিৱৰ্তন
✍ ড° জ্যোতিৰ্ময় বৰদলৈ • 233

# চৈয়দ আব্দুল মালিক সম্পাদিত 'পায়গাম'ৰ সম্পাদকীয় ঃ এটি অধ্যয়ন

ড° তৰুণ শইং
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
যোৰহাট মহাবিদ্যালয় (স্বায়ত্ত)

**সংক্ষিপ্তসাৰ ঃ**

*অসমীয়া সাহিত্যৰ ইতিহাসত চৈয়দ আব্দুল মালিকৰ এক সুকীয়া স্থান আছে। 'ধনা নৰ তনু ভাল', 'প্ৰেম অমৃতৰ নদী', 'কলতীৰ্থৰ যাত্ৰী' আদি জীৱনীমূলক উপন্যাসেৰে অসমীয়া সমাজৰ মহান ব্যক্তি ক্ৰমে মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ আৰু জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱনক নতুন ৰূপত পৰিচয় কৰাই দিলে। ১৯৭২ চনত 'অঘৰী আত্মাৰ কাহিনী' নামৰ উপন্যাসখনৰ বাবে তেওঁ 'সাহিত্য অকাডেমী বঁটা' লাভ কৰিছিল। 'বেদুইন', 'স্বাক্ষৰ', স্বপ্ন, যুক্তি আৰু কিছু কথা" — এই তিনিখন কাব্য সংকলনৰ মাজেৰে চৈয়দ আব্দুল মালিকক কবি হিচাপে অনন্য মাত্ৰা প্ৰদান কৰিছে। অসমীয়া সাহিত্যৰ জগতত ৰজনীকান্ত বৰদলৈক 'উপন্যাস সম্ৰাট' অভিধাৰে অভিহিত কৰাৰ দৰে চৈয়দ আব্দুল মালিকক 'গল্প সম্ৰাট' বুলি কোৱাৰ যুক্তি-যুক্তিতা আছে বুলি ড° প্ৰফুল্ল কুমাৰ নাথৰ দৰে অনেক সমালোচকে মন্তব্য আগবঢ়াইছে। 'কাঠফুলা', 'হৰি মাষ্টৰৰ দোকান', 'আজোৱা', 'মণি অৰ্জনৰ টকা' আদি গল্পত দাৰিদ্ৰ আৰু আকৰ্ষণৰ যি মৰ্মস্পৰ্শী প্ৰকাশ পৰিস্ফুট হৈছে সেয়া অসমীয়া চুটিগল্পত বিৰল। একাধাৰে কবি, নাট্যকাৰ, ঔপন্যাসিক, গল্পকাৰ চৈয়দ আব্দুল মালিক অসমীয়া সাহিত্যৰ এক ক্ষণজন্মা সাহিত্যিক। ''জীৱনে মৰণে মই চিৰদিন অসমীয়া, অসমীয়া দেহে প্ৰাণে মই'' শীৰ্ষক গীতৰ মাজেদি দেশভক্তি মনটো সহজভাৱে স্বীকাৰ কৰে। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পূৰ্বে স্বাধীনতা আন্দোলনৰ সময়ত অৰ্থাৎ মহম্মদ আলি জিন্নাৰ নেতৃত্বত অসমক*

পাকিস্তানৰ অন্তৰ্ভুক্ত কৰিবলৈ কেনেদৰে চেষ্টা কৰা হৈছিল আৰু মুছলিম লীগৰ পৃষ্ঠপোষকতাত চৈয়দ আব্দুল মালিক সম্পাদিত 'পায়গাম' নামৰ আলোচনীয়ে কেনেধৰণৰ ভূমিকা গ্ৰহণ কৰিছিল সেই সম্পৰ্কে আভাস দিবলৈ যত্ন কৰা হ'ল।

**বীজ শব্দ ঃ** পায়গাম, মুছলীম লীগ, কায়েদে আজম, যুগৰ দাবী, পূব পাকিস্তান।

**অৱতৰণিকা ঃ**

অসমীয়া সাহিত্যৰ ইতিহাসত সংবাদপত্ৰ আৰু আলোচনীৰ এক বিশেষ ভূমিকা আছে। আনহাতেদি একোখন আলোচনীক লৈ একো একোটা যুগৰ নামকৰণ কৰা হৈছে। অৰুণোদয় যুগ, জোনাকী যুগ, ৰামধেনু যুগ, আৱাহন যুগ ইত্যাদি আলোচনী বা সংবাদপত্ৰৰ একোখনৰ নামেৰেই নামকৰণ কৰা হৈছিল। উল্লেখযোগ্য যে কিছুমান আলোচনী বা সংবাদপত্ৰই সাহিত্যৰ জগতত বিশেষভাৱে একোটা যুগৰ সৃষ্টি কৰিছে বুলি ক'ব পৰা নাযায়। সেই আলোচনী বা সংবাদপত্ৰবোৰৰ বহু সময়ত সমালোচকসকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হোৱা নাই। ইচ্ছাকৃতভাৱেও কেতিয়াবা সেই সংবাদপত্ৰ বা আলোচনীৰ বিষয়ে সমালোচক বা বৌদ্ধিক সমাজে আঁতৰাই ৰাখে। বহলভাৱে অসমালোচিত তথা আলোচনাত ঠাই নোপোৱা তেনে এখন আলোচনী হৈছে চৈয়দ আব্দুল মালিক সম্পাদিত পায়গাম। উল্লেখযোগ্য যে মুছলীম লীগৰ উদ্যোগত প্ৰকাশ পোৱা 'পায়গাম' আলোচনীৰ মূল উদ্দেশ্য আছিল অসমক ভাৰতবৰ্ষৰ পৰা আঁতৰাই পূব পাকিস্তানৰ (বৰ্তমানৰ বাংলাদেশ) লগত চামিল কৰি বৃহত্তৰ পাকিস্তান ৰাষ্ট্ৰৰ লগত চামিল কৰা।

**পদ্ধতি ঃ**

গৱেষণাধৰ্মী আলোচনা পত্ৰখন প্ৰস্তুত কৰোঁতে প্ৰধানকৈ বিশ্লেষণাত্মক পদ্ধতি অৱলম্বন কৰা হৈছে। দ্বিতীয়ক তথ্যৰ আধাৰত প্ৰস্তুত কৰা লেখাটো প্ৰধানকৈ 'পায়গাম' আলোচনীৰ কেইটাও অধ্যায় অধ্যয়ন কৰি প্ৰস্তুত কৰা হৈছে।

**মূল আলোচনা ঃ**

চৈয়দ আব্দুল মালিক সম্পাদিত 'পায়গাম'ৰ প্ৰথম বছৰ, প্ৰথম সংখ্যা

প্ৰকাশ হৈছিল ১৯৪৬ চনৰ ২৯ এপ্ৰিল তাৰিখে (২৬ জমাদিয়াল আওৱল ১৩৬৫ হিজৰী) 'সম্পাদকৰ দফতৰ'ত চৈয়দ আব্দুল মালিকে লিখিছে — "আমাৰ বিশেষ লক্ষ্য হ'ব, অসমীয়া মুছলমান লিখকসকলক যিমান পাৰে সুবিধা দিয়া ........

এফেটা সম্পাদকীয়ত 'জে. বি. কলেজত আৰবী-পাৰ্চীৰ অধ্যাপক' শীৰ্ষক উপ-শিৰোনামত উল্লেখ কৰি কৈছে যে — "জে. বি. কলেজ গৱৰ্ণমেণ্টৰ নহয়, ই ৰাইজৰ অনুষ্ঠান। এই কলেজটো হ'বৰ ১৫/১৬ বছৰ হ'ল আৰু প্ৰথম বছৰৰ পৰাই ইয়াত মুছলমান ছাত্ৰই শিক্ষা লাভ কৰি আহিছে। কিন্তু আজি পৰ্যন্ত ইয়াত এজন আৰবী-পাৰ্চী ভাষাৰ অধ্যাপক লোৱাৰ আৱশ্যকতা কলেজ কৰ্তৃপক্ষই অনুভৱ নকৰাৰ, গতিকে আৰবী-পাৰ্চী ল'বৰ ইচ্ছা থকা ছাত্ৰবোৰেও বাধ্যত পৰি কলেজত অন্য বিষয় লয়। .......... আশা কৰোঁ কলেজ কৰ্তৃপক্ষই আৰু মাননীয় ৰবনৈলে আতৰীয়াই অতি সোনকালে, নতুন চেছন আৰম্ভ হোৱাৰ লগে লগে যোৰহাট কলেজত (জে. বি. কলেজ) এজন আৰবী আৰু পাৰ্চীৰ অধ্যাপক নিয়োগ কৰে।"[1]

চৈয়দ আব্দুল মালিকে অসম মুছলীম লীগৰ নেতৃত্বক স্বীকাৰ কৰি অৰ্থাৎ পাকিস্তানৰ অন্তৰ্ভুক্ত কৰাৰ বাবে প্ৰবল যুক্তি আগবঢ়াইছে। আলোচনীখনৰ প্ৰথম বছৰৰ প্ৰথম সংখ্যাত 'অসম আৰু পাকিস্তান' শীৰ্ষক আন এক উপ-শিৰোনামত লিখা কথাখিনি এনেধৰণৰ — "পাকিস্তানৰ ভিত্তিত অসমত মুছলিম লীগ নিৰ্বাচনত অৱতীৰ্ণ হৈছিল। অসমত মুছলীম লীগে আশাতীত সাফল্য লাভ কৰিলে। যোৱা নিৰ্বাচনত মুছলীম লীগে অসম উপত্যকাৰ তেৰখন মুছলমান আসনৰ ভিতৰত তেৰখনকে অধিকাৰ কৰিছে। সদৌ অসমৰ মুছলমান আসনৰ ভিতৰত লীগে শতকৰা ৯১ খন আসন অধিকাৰ কৰে। ...... এই নিৰ্বাচনে স্পষ্ট প্ৰমাণ কৰিলে যে ভাৰতৰ অন্যান্য প্ৰদেশৰ মুছলমানসকলৰ দৰে অসমৰ সকলো মুছলমানেও মুছলীম লীগকে তেওঁলোকৰ একমাত্ৰ ৰাজনৈতিক প্ৰতিষ্ঠান বুলি মানে। ....... সদৌ ভাৰত মুছলীম লীগে তথা অসমৰ মুছলমানসকলে অসমক পাকিস্তানৰ অন্তৰ্ভুক্ত কৰাৰ দাবী উত্থাপন কৰিছে। পাকিস্তানৰ ভিত্তিত সৰ্বভাৰতীয় সমস্যাৰ সমাধান

হোৱাৰ লগে লগে অসমখনো ভাগ্য নিৰূপিত হ'ব।" ৫

**'পায়গাম'ৰ প্ৰথম বছৰৰ প্ৰথম সংখ্যাৰ** শেষৰ উপ-শিৰোনামটো হৈছে "নিৰ্বাচন আৰু মুছলীম লীগ"। ইয়াত পাকে-প্ৰকাৰে হ'লেও অসমখন পাকিস্তানত অন্তৰ্ভুক্ত কৰিবলৈ তেওঁ যুক্তি দাঙি ধৰি সম্পাদক চৈয়দ আব্দুল মালিকে লিখিছে -- "কেন্দ্ৰীয় পৰিষদৰ মুছলমানৰ ৩০ খন আসনৰ আটাইকেইখন আসন মুছলীম লীগে অধিকাৰ কৰি এইটোকে প্ৰমাণ কৰিলে যে ভাৰতৰ ধনী মুছলমান দল বিনাদ্বিধাই 'পাকিস্তান'ৰ সমৰ্থক। আনহাতে প্ৰাদেশিক নিৰ্বাচনবোৰৰ যি ফলাফল পোৱা গ'ল তাতো প্ৰমাণিত হ'ল যে কেৱল ধনী দলেই নহয়, ভাৰতৰ দুখীয়া মুছলমানসকলেও পাকিস্তান বিচাৰে আৰু এই কাৰণেই সকলো ব্যক্তিগত স্বাৰ্থ বাদ দি তেওঁলোকে লীগ মনোনীত প্ৰাৰ্থীৰ সফলতাৰ কাৰণে ভোট দিলে। ......... এই নিৰ্বাচনত 'পাকিস্তান' যে মুছলমানৰ গণতান্ত্ৰিক দাবী আৰু মুছলমান যে এটা স্বতন্ত্ৰ জাতি সেই কথা অকাট্যভাৱে প্ৰমাণিত হ'ল। মুছলমানৰ পাকিস্তান দাবী মধ্যযুগীয় বা ধৰ্মীয় দাবী নহয়, ই জনসাধাৰণৰ গণতান্ত্ৰিক ৰাজনৈতিক দাবী। পাকিস্তানে ৰাজনৈতিক ৰাষ্ট্ৰকে গঠন কৰিবলৈ বিচাৰিছে। ই পুৰণি প্ৰসিদ্ধ এটা গৌৰৱশালী জাতিৰ কৃষ্টি, সভ্যতা, ভাষা-সাহিত্য, আদৰ্শ, আকাংক্ষাৰ পুনৰভ্যুত্থানৰ জীৱন্ত ৰূপ, ই আত্ম-পৰিচয় লোপ পাব ধৰা দহ কোটি মানুহৰ পুনৰুত্থানৰ নৱ আয়োজন। ই ভাৰতীয় মুছলমানৰ জাতীয় চেতনাৰ প্ৰথম অভিব্যক্তি। ই কোনো কৃত্ৰিম ৰাজনৈতিক উদ্ভাৱন নহয়, ই এটা স্বাভাৱিক (Natural) অৱশ্যম্ভাৱী স্বতঃস্ফূৰ্ত ঐতিহাসিক ৰূপ। .......... কংগ্ৰেছে ভাৰতৰ বৃহৎ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি পাকিস্তান দাবী স্বীকৃতিৰ দ্বাৰা উদাৰ মনোভাৱ নেদেখুৱালে ভাৰতৰ হিন্দু-মুছলমান আৰু আভ্যন্তৰীণ সমস্যাৰ বা স্বাধীনতা সমস্যাৰ সমাধানৰ কোনো আশা নাই। বৰ্তমান জগতৰ বিৰাট পৰিবৰ্তনৰ লগত কংগ্ৰেছৰ এই শুভ বুদ্ধি উদয় হোৱাৰ আশা কৰিব নোৱাৰিনে ?"

**'পায়গাম'ৰ প্ৰথম বছৰৰ দ্বিতীয় সংখ্যাত** 'মন্ত্ৰী মিছনৰ প্ৰস্তাৱ আৰু মুছলীম লীগ', কংগ্ৰেছ মন্ত্ৰীসভাৰ উচ্ছেদ নীতি, 'আহোম সভাৰ দাবী', 'শিক্ষক-শিক্ষিকাসকললৈ', 'এই সংখ্যা পায়গাম দেৰি হোৱাৰ কাৰণ', 'যোৰহাট তৰুণীৰ

কৰিছি' এইকেইটা উপ-শিৰোনামত 'সম্পাদকৰ দফতৰ' প্ৰকাশ কৰিছে। 'মন্ত্ৰী মিছনৰ প্ৰস্তাৱ আৰু মুছলীম লীগ' শীৰ্ষক উপ-শিৰোনামত চৈয়দ আব্দুল মালিকে লিখিছে— "কায়েদে আজম জিন্নাই কাউন্সিলৰ এই প্ৰস্তাৱ

১ / 'পয়গাম' প্ৰথম বছৰ, প্ৰথম সংখ্যা, পৃ. ৫৪
২ / ঐ, পৃ. ৫৫

সম্বন্ধে মন্তব্য কৰি কয়, "বাদ দিয়া হিন্দুস্তান - মিলাপিয়া পাকিস্তান" কিন্তু "স্বাধীন আৰু সাৰ্বভৌম পাকিস্তান ৰাষ্ট্ৰ প্ৰতিষ্ঠা নোহোৱা পৰ্যন্ত মুছলীম লীগ যে শান্ত নহয়" সেই কথা কায়েদে আজমৰ বক্তৃতাত আৰু কাউন্সিলৰ প্ৰস্তাৱত স্পষ্টভাৱে ব্যক্ত হৈছে। যদিও মন্ত্ৰী মিছনৰ প্ৰস্তাৱত পাকিস্তান এক প্ৰকাৰ স্বীকৃত হৈছে, তথাপি এই প্ৰস্তাৱে মুছলীম ভাৰতৰ আজাদীৰ আকাংক্ষাক কোনোমতেই সন্তুষ্ট কৰিব নোৱাৰে।"২

**প্ৰথম বছৰৰ চতুৰ্থ সংখ্যা ঃ**

'সম্পাদকৰ দফতৰ'ৰ প্ৰথম বছৰৰ চতুৰ্থ সংখ্যাত চৈয়দ আব্দুল মালিকৰ পাকিস্তানৰ লগত অসমক চামিল কৰাৰ যি উদ্দেশ্য সেয়া সম্পূৰ্ণকৈ প্ৰকাশ পোৱা দেখা গৈছে। 'প্ৰত্যক্ষ সংগ্ৰাম' নামৰ শিৰোনামৰ আৰম্ভ কৰি সম্পাদকে লিখিছে — "লীগ কংগ্ৰেছে বৃটিছৰ চিমলাত বহা ত্ৰিদলীয় বৈঠকৰ কাৰ্য্যকৰী ফলাফল একো নহ'ল যদিও ভাইচৰয়ৰ ঘোষণাত মন্ত্ৰী মিছন আৰু ভাইচৰয়ে দিয়া ভাৰতৰ নতুন শাসন বিধিত মুছলিম লীগৰ মূল দাবী পাকিস্তানৰ ৫ ঃ ৫ ঃ ২ ভিত্তিত অস্থায়ী গভৰ্নমেণ্ট গঠিত হ'ব বুলি ভাইচৰয়ে কায়েদে আজম জিন্নাক কথা দিয়াত মুছলীম লীগ কাউন্সিলে বৃটিছ প্ৰস্তাৱিত দীৰ্ঘমিয়াদী আৰু স্বল্পমিয়াদী দুয়োটা পৰিকল্পনাকে গ্ৰহণ কৰাৰ সিদ্ধান্ত কৰে। মুছলীম লীগৰ এই সিদ্ধান্তই কংগ্ৰেছক অপ্ৰস্তুত কৰি পেলালে, কিয়নো কংগ্ৰেছে এনে আশা কৰা নাছিল। ........ এখন দেশৰ এনে এটি সন্ধিক্ষণত এনেদৰে দহকোটি মানুহৰ প্ৰতি বিশ্বাসঘাতকতা কৰাৰ ইতিহাস পৃথিৱীৰ অন্য কাৰণত থকাৰ কথা দুৰ্ভাগ্যেও দেখুৱাবলৈ সাহ নকৰে। কিন্তু ভাৰতৰ মুছলমান জাতিৰ ক্ষেত্ৰত ইংলেণ্ডৰ সম্ৰাট প্ৰতিনিধিয়ে তাকো কৰিবলৈ পিছ নুহঁহকিল। ........ (পাকিস্তানৰ দাবীত) বৃটিছৰ বিৰুদ্ধে সংগ্ৰামৰ আয়োজন কৰা দেখি ভাৰতীয়

কংগ্ৰেছে কষ্ট পালেও আৰু প্ৰতিৰোধৰ চেষ্টা কৰিলেও মুছলীম লীগৰ এই বিদ্ৰোহে যে স্বাধীনতাকামী ভাৰতীয় জনতাৰ আন্তৰিক সমৰ্থন সহযোগ লাভ কৰিব ই নিশ্চিত। আমি এই বিপ্লৱী সিদ্ধান্তক অভিনন্দন জনাইছো।"*

'পাৰগাম'ৰ প্ৰথম বছৰ পঞ্চম সংখ্যাত (ভাদ, ১৯৪৬) ধৰা সম্পাদকৰ দফতৰ প্ৰধানকৈ এঘাৰটা উপ-শিৰোনামত প্ৰকাশ পাইছে। সেইকেইটা হৈছে – '১৬ আগষ্ট', 'কংগ্ৰেছৰ ব্যাখ্যা', 'বঙ্গদেশত প্ৰস্তুতি', 'লীগৰ আয়োজন', 'কংগ্ৰেছৰ প্ৰতিক্ৰিয়া', 'ভাৰতীয় ঐক্য', 'ৰমজানৰ ছুটীল', 'অস্থায়ী গৱৰ্ণমেণ্ট', 'ইয়াৰ উপায়', 'ভাৰতে স্বৰাজ পালে' আৰু 'কটন কলেজৰ অধ্যক্ষ'। ইয়াতে 'ৰমজানৰ ছুটীল' নামৰ উপ-শিৰোনামত লিখিছে – "ৰাম ৰাজত্বৰ নমুনা আজি জগতে দেখিলে আৰু স্বাধীন পাকিস্তান প্ৰতিষ্ঠা নহয় মানে আৰু বৰ্ণ হিন্দুৰ মুছলমানৰ ওপৰত আধিপত্যৰ কামনা পৰিহাৰ কৰা নহয়মানে ভাৰতৰ শান্তি, প্ৰগতি, স্বাধীনতা নাহে, হিন্দু-মুছলমানৰ মিলন নহয়, গৃহযুদ্ধৰ অৱসান নহয়, এই কথা পৃথিৱীক বুজাই ক'বৰ সময় এতিয়াও আছেনে?"*

'পাৰগাম'ৰ প্ৰথম বছৰৰ ষষ্ঠ সংখ্যাত চৈয়দ আব্দুল মালিকে 'কায়েদে আজমৰ ৭১ তম্ জন্ম বাৰ্ষিকী", 'অসম প্ৰাদেশিক মুছলীম ছাত্ৰ ফেডাৰেছন', 'জাতীয়তাবাদী', 'পাকিস্তান কালচাৰেল ফোৰাম', 'মিউজিক ক্লুল', 'মৰহুম চৈয়দ ফজলোৰ ৰহমান', 'মৰহুম চৈয়দা জাহানাৰা বেগম' – এই সাতোটা (উপ-শিৰোনাম) শিতানত ভাগ কৰি সম্পাদকীয়টো লিখিছে। 'কায়েদে আজমৰ ৭১ তম্ জন্ম বাৰ্ষিকী' শীৰ্ষক শিতানত তেওঁ মুছলীম লীগৰ প্ৰতিষ্ঠাপক মহম্মদ আলি জিন্নাৰ জন্ম বাৰ্ষিকীক প্ৰশংসাৰে পঞ্চমুখ হৈ লিখিছে এনেদৰে – "যোৱা ২৫-১২-৪৬ ত কায়েদে আজমৰ ৭১ বছৰ পূৰ্ণ হ'ল। মোগল সাম্ৰাজ্যৰ পতনৰ পিছৰ পৰা যোৱা ২০০ বছৰৰ ভিতৰত ভাৰতৰ মুছলমানৰ কোনো জাতীয় নেতা নাছিল। আজি কায়েদে আজম জিন্না সেই মহান জাতীয় নেতাৰ আসনত সগৌৰৱেৰে অধিষ্ঠিত। আত্মবিশ্বাস, সাধনা, অধ্যৱসায়, দৃঢ় মনোবল, অপূৰ্ব সংগঠন শক্তি, ক্ষুৰধাৰ যুক্তিবাদ, অতিনিত আদৰ্শনিষ্ঠা আৰু একাগ্ৰতাৰ বলত তেওঁ আজি কেৱল ভাৰতৰ ১০ কোটি মুছলমানৰে নহয়, ৬ কোটি ভাৰতীয় অনুন্নত সম্প্ৰদায়ৰে নহয়, আজি মধ্যপ্ৰাচ্য আৰু সমগ্ৰ এচিয়াৰে

দেশৰ এজন মুক্তি অগ্ৰণী যোদ্ধা, ভাৰতৰ তথা এচিয়াৰ ভৱিষ্যৎ এই এজন মানুহৰ গতিনিৰ্দেশতে নিৰ্ণিত হ'ব পাৰে। এচিয়াৰ স্বাধীনতা সংগ্ৰামৰ চাবি-কাঠি আজি কায়েদে আজমৰ হাতত।

৩। 'পয়গাম' প্ৰথম বছৰ, দ্বিতীয় সংখ্যা, পৃ. ১১২

৪। 'পয়গাম' প্ৰথম বছৰ, চতুৰ্থ সংখ্যা, পৃ. ২২৭

৫। 'পয়গাম' প্ৰথম বছৰ, পঞ্চম সংখ্যা, পৃ. ২৮১

পৰাধীনতা-পঙ্গু জনগণৰ আজাদীৰ সংগ্ৰামক জয়যুক্ত কৰিবৰ কাৰণে আল্লাই কায়েদে আজমক স্বাস্থ্য আৰু অক্লান্ত মনোবল দান কৰক। আল্লাই দীৰ্ঘায়ু কৰক।"[৫]

উক্ত কথাই প্ৰমাণ কৰে যে চৈয়দ আব্দুল মালিক অসমক পাকিস্তানৰ অন্তৰ্ভুক্ত কৰাৰ বাবে মনে-প্ৰাণে বিচাৰিছিল। 'পাকিস্তান কালচাৰেল স্কোৱাড' শীৰ্ষক শিতানত আব্দুল মালিকে যোৰহাটত 'পাকিস্তান কালচাৰেল স্কোৱাড' গঠন কৰি অভিনয়, নৃত্য-গীত, কবিতা আদি অনুষ্ঠানৰ জৰিয়তে পাকিস্তানৰ সমৰ্থন আদায় কৰাৰ চিন্তা-চৰ্চা কৰিছিল। উক্ত স্কোৱাডৰ উদ্দেশ্য সম্পৰ্কে চৈয়দ আব্দুল মালিকে লিখিছে — "এই স্কোৱাডৰ প্ৰধান উদ্দেশ্য নাট্য-গীত, নৃত্য, বাদ্য, আবৃত্তি আৰু হাস্য-অভিনয়ৰ সহায়েৰে পাকিস্তানৰ প্ৰকৃত আদৰ্শ জনসাধাৰণৰ সন্মুখত দাঙি ধৰা। সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক যিবোৰ কেৰোণ ভাৰতীয়ৰ মাজত সোমাই ভাৰতৰ মুক্তি আঁতৰাই ৰাখিছে, তাৰ মূল উৎপাটন কৰি নিৰ্মূল কৰাৰ ইঙ্গিত দিয়াও ইয়াৰ এটা লক্ষ্য। সুখৰ কথা যে যোৰহাটৰ 'পাকিস্তান কালচাৰেল স্কোৱাড' এই বিষয়ত বহুখিনি কৃতকাৰ্য হৈছে। ইতিমধ্যে 'যুগৰ দাবী', 'খান বাহাদুৰ', 'বাহ্মনী ইউনিয়ন' আদি বিকেইখন নাটিকাৰ অভিনয় হৈ গ'ল তাত মুছলমান ল'ৰাসকলেহে একেলগে নাটিকাৰ অভিনয় কৰিছে। গোটেই স্কোৱাডীসকলেও ৰঙ্গমঞ্চত মুক্ত অভিনয় কৰা এটা অভিনব বস্তু। গোটেই অসমতে এনে কালচাৰেল দল গঠন হ'লে বৰ প্ৰশংসনীয় কাৰ্য হ'ব। 'মিউজিক স্কুল' শীৰ্ষক উপ-শিৰোনামত লিখা কথাখিনি এনেধৰণৰ — "যোৰহাটৰ পাকিস্তান কালচাৰেল স্কোৱাডৰ জৰিয়তেই এটা মিউজিক স্কুল আৰু এটা শৰীৰ চৰ্চাৰ বি এথলেটিক ইউনিয়ন গঠন হোৱাটো আনন্দৰ কথা। .........

এথলেটিক ইউনিয়ন গঠিত হৈছে, শিশু ডেকাসকলক উদ্বুদ্ধ কৰি তুলিছে। আমি এই কেউটা নতুন অনুষ্ঠানৰ উত্তৰোত্তৰ উন্নতি আৰু বহুল প্ৰচাৰ কামনা কৰো।" 'মৰহুম চৈয়দা জাহানাৰা বেগম' শীৰ্ষক লেখৰ (সাত নম্বৰ) উপ-শিৰোনামত জাহানাৰা বেগমৰ মৃত্যুত মৰ্মবেদনা প্ৰকাশ কৰি লিখিছে — "ডিব্ৰুগড়ত বহু অঃ প্ৰাঃ মুঃ ছাত্ৰ ফেডাৰেচনৰ মুকলি সভাত বিৰাট জনতাক স্তব্ধ কৰি একনী বাৰ বছৰীয়া ছোৱালীয়ে এটা তেজস্বী বক্তৃতা দিলে — "মুছলীম নাৰী জাগা", সকলোৱে কণমানি কৰিলে এই ছোৱালীটি ক'ৰ? যোৰহাট, কাকজান, সকলো ঠাইতে জাহানাৰাৰ বক্তৃতা বহিয়ে শুনিছিল, আৰু আশা কৰিছিল। ফলত জাহানাৰা অসমীয়া মুছলমানৰ গৌৰৱৰ পাত্ৰী হ'ব। কিন্তু যোৱা ১৫/০১/৪৭ তাৰিখে তেওঁ হঠাতে বিদায় ললে। তেওঁৱেই আছিল মাকৰ একমাত্ৰ সন্তান।" ড° অনিল কুমাৰ শৰ্মাই তেওঁৰ গৱেষণা গ্ৰন্থখনত উল্লেখ কৰিছে — "পাকিস্তানৰ এগৰাকী ঘোৰ সমৰ্থক, এচ. জাহানাৰা বেগম হাজৰিকাই পাকিস্তান গঠনৰ তীব্ৰ পোষকতা কৰি অসমক সেই দেশৰ লগত চামিলকৰণৰ প্ৰস্তাৱ আগবঢ়ায়। প্ৰবন্ধটোৰ এটা অংশত তেওঁ লিখিছিল — "বিৰোধীসকলৰ দম্ভ খৰ্ব কৰি আমি ভাৰতবৰ্ষত পাকিস্তানৰ সৃষ্টি কৰিম। আল্লাই আমাক আশীৰ্বাদ দিয়ক।""[১]

ড° অনিল কুমাৰ শৰ্মাই স্বাধীনতা সংগ্ৰামত গোলাঘাট ( তেওঁৰ 'Quit India Movement to Independence :A Study on the Role of Golaghat District in India's Freedom Movement' নামৰ গৱেষণা গ্ৰন্থৰ অসমীয়া ৰূপান্তৰ) 'পায়গাম' সম্পৰ্কে লিখিছে — "এই সময়ছোৱাৰ ভিতৰতেই যি সময়ত ৰাজনৈতিক অৱস্থা অনিশ্চিত আছিল আৰু অসমে ভৱিষ্যতৰ ৰাজনৈতিক অৱস্থাক লৈ যন্ত্ৰণাত ছটফটাই আছিল, কিছুমান মুছলীম লীগ সমৰ্থকে পাকিস্তানৰ লক্ষ্যত উপনীত হোৱাৰ মানসেৰে থলুৱা মুছলমানসকলৰ অন্তৰ জিনিবলৈ চেষ্টা কৰিছিল। গোলাঘাট জিলাৰ নাহৰণিত মুছলীম লীগৰ এমুঠি সমৰ্থকে বিচ্ছিন্নতাবাদীক সমৰ্থন জনাবলৈ কৰা প্ৰচেষ্টা পৰিলক্ষিত হৈছিল। বঙ্গদেশৰ চলেটৰ পৰা বহু মূল্যবান অগৰ আৰু নাহৰ কাঠৰ বাণিজ্যৰ উদ্দেশ্যেৰে বহু ব্যৱসায়ীৰ নাহৰণিলৈ আগমন ঘটিছিল আৰু

তেওঁলোকে স্থানীয় মুছলমান জনসাধাৰণৰ অন্তৰত পাকিস্তানৰ ভাৱ অংকুৰণ ঘটাবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছিল। 'পাৱগাম' নামৰ এখন আলোচনীৰ যোগেদি এক নূতন সংখ্যক শিক্ষিত ডেকা শক্তিয়ে পাকিস্তান গঠনৰ পোষকতা কৰিছিল, কিন্তু জাতীয়তাবাদী মুছলমানসকলক তেওঁলোকৰ কাৰ্যাৱলীয়ে অলপো প্ৰভাৱান্বিত কৰিব পৰা নাছিল। বঙ্গ মুছলীম লীগৰ সভাপতি খাজা নাজিমুদ্দিনে স্থানীয় মুছলমান সম্প্ৰদায়ৰ মনত

৬। 'পাৱগাম' প্ৰথম বছৰ, ষষ্ঠ সংখ্যা, পৃ. ২২৭

৭। অনিল কুমাৰ শৰ্মা, স্বাধীনতা সংগ্ৰামত গোলাঘাট, পৃ. ১৮২, ১৮৩

বিষক্ৰিয়া ঘটাবলৈ অসমৰ দৃশ্যপটত এই সময়তে আবিৰ্ভাৱ হয়। এই যাত্ৰাৰ মাজতে তেওঁ দেৰগাঁৱত উপস্থিত হৈছিল আৰু ব্ৰহ্মপুত্ৰ মিলৰ কাষত অনুষ্ঠিত হোৱা মুছলীম লীগৰ এখন জনসভাত অংশগ্ৰহণ কৰিছিল। দেৰগাঁৱৰ কিছুসংখ্যক ছাত্ৰ নেতা যেনে - মানিক হাজৰিকা, ধৰ্মেশ্বৰ নাথ আৰু দেৰগাঁৱ ছাত্ৰ কংগ্ৰেছৰ সহকাৰী সম্পাদক ভবেশ বাউও আদিয়ে এই সভাত উপস্থিত আছিল। বঙ্গদেশৰ এই নেতাজনে দেৰগাঁওবাসীক কেবিনেট মিছনৰ প্ৰস্তাৱ অনুসৰি স্বাধীনতা আহৰণৰ বাবে আহ্বান জনাই আৰু বঙ্গ, অসম আৰু সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলক সামৰি পূৱ-পাকিস্তান লাভ কৰিবলৈ উপদেশ দিয়ে। (পৃ. ১৬৬, ১৬৭)

ড° ৰঞ্জিত সভাপণ্ডিতৰ সম্পাদনাৰে প্ৰকাশিত 'হোমেন বৰগোহাঞি প্ৰথম কলম'ত 'মুছলমান' শীৰ্ষক লেখাটো ২০১২ চনৰ আগষ্ট অৱধিৰে প্ৰকাশিত হৈছিল। উক্ত লেখাটোত হোমেন বৰগোহাঞিয়ে উল্লেখ কৰিছে - "মোৰ এজন মুছলমান বন্ধু আছিল। তেওঁৰ লগত মোৰ গভীৰ প্ৰীতি আৰু বিশ্বাসৰ সম্পৰ্ক আছিল। কেইবছৰমানৰ আগতে তেওঁৰ মৃত্যু হৈছে। ১৯৬৫ চনৰ ভাৰত-পাকিস্তান যুদ্ধৰ সময়ত এদিন তেওঁ মোৰ ওচৰলৈ আহি ক'লে - যোৱা কিছুদিন ধৰি মই এটা ভীষণ অন্তৰ্দ্বন্দ্বত ভুগিছোঁ। বিবেকৰ দংশন সহ্য কৰিব নোৱাৰি অৱশেষত মই তোমাৰ ওচৰলৈ আহিছোঁ এটা স্বীকাৰোক্তি কৰিবলৈ। মোৰ হৃদয়ে সকলো সময়তে মোক কৈছে যে এই যুদ্ধত পাকিস্তান

জয়ী হ'লে মই সুখী হ'ম।" (পৃ. ৪৭৯) 'পায়গাম'ৰ সম্পাদকীয়ৰ কথাখিনি জনাব নিছত হোচেন বৰগোহাঞিৰ সেই বন্ধুজন কোন আছিল সেয়া সহজতে অনুমেয়।

**উপসংহাৰ ঃ**

চৈয়দ আব্দুল মালিকে মুছলীম লীগৰ উদ্যোগত 'পায়গাম' প্ৰকাশ কৰি অসমক পূব-পাকিস্তান বা বৰ্তমানৰ বাংলাদেশ প্ৰতিষ্ঠা কৰাৰ যি সংকল্প লৈছিল সেই বিষয়ে অসমীয়া পণ্ডিতসকল নিমাত। 'পায়গাম'ৰ যোগেদি তেওঁ 'নহওঁ ভাৰতীয়' নামৰ কবিতাত অসমীয়া জাতিক এক ক্ষুদ্ৰ অথচ সংকীৰ্ণ পৰিচয় খুলি ইঙ্গিত কৰাৰ লগতে "মোৰ পৰিচয় কালজয়ী, স্থানজয়ী কিন্তু মুছলীম" বুলিও উল্লেখ কৰিছে। এনেকুৱা লেখকে যেতিয়া ভাৰতবৰ্ষৰ ভিতৰতে অসমখন অন্তৰ্ভুক্ত হ'ল তেতিয়াই ওলোটা খৰ মাৰি "জীৱনে মৰণে মই চিৰদিন অসমীয়া, অসমীয়া দেহে-প্ৰাণে মই" — শীৰ্ষক গীত ৰচনা কৰি সুযোগ্য অসমীয়া হিচাপে পৰিচয় দি গৈছে। মহম্মদ আলি জিন্নাৰ মুছলিম লীগৰ অৰ্থসাহায্যত প্ৰকাশ পোৱা 'পায়গাম'ৰ সঠিক বিচাৰ হোৱাৰ লগতে সম্পাদক হিচাপে চৈয়দ আব্দুল মালিক প্ৰকৃত দেশপ্ৰেমিক নে ভণ্ড দেশপ্ৰেমিক আছিল সেই বিষয়ে বিচাৰ কৰাৰ থল আছে। ❑❑

**গ্ৰন্থপঞ্জী / পাদটীকা ঃ**


(১) শৰ্মা, অনিল কুমাৰ (২০১১)ঃ *স্বাধীনতা সংগ্ৰামত গোলাঘাট,* সৰস্বতী প্ৰকাশন, গোলাঘাট, প্ৰথম সংস্কৰণ

(২) সত্যপণ্ডিত, ৰঞ্জিত (২০১৫)ঃ *হোচেন বৰগোহাঞিৰ প্ৰথম কলম,* ষ্টুডেণ্ট ষ্ট'ৰ, গুৱাহাটী, অসম

(৩) মালিক, চৈয়দ আব্দুল (১৯৪৬)ঃ পায়গাম, এপ্ৰিল

(৪) ঐ, (১৯৪৬)ঃ পায়গাম, মে', দ্বিতীয় সংখ্যা

(৫) ঐ, (১৯৪৬)ঃ পায়গাম, চতুৰ্থ সংখ্যা

(৬) ঐ, (১৯৪৬)ঃ পায়গাম, জুন, পঞ্চম সংখ্যা